Total No. of Printed Pages—3

**5 SEM TDC ASM M 2**

**2017**

( November )

ASSAMESE

( Major )

Course : 502

**( অসমীয়া নাটক )**

*Full Marks* : 80

*Pass Marks* : 32/24

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ লিখাঁ : ১×৮=৮

(ক) কোন শ্ৰেণী নাটকৰ যোগেদি অসমীয়া নাট্যসাহিত্যৰ লিখিত ইতিহাস আৰম্ভ হোৱা বুলি ধৰা হয়?

(খ) কেৱল অভিনীত ৰূপৰ প্ৰথম অসমীয়া নাটখনৰ নাম কি?

(গ) অসমৰ প্ৰথমজন নাট্যকাৰ, অভিনেতা, নাট পৰিচালক, সংগীত-নৃত্য পৰিচালক, ৰূপসজ্জা নিৰ্দেশক কোন?

(ঘ) ৰংদৈ কোনখন নাটকৰ নাৰী চৰিত্ৰ?

(ঙ) "...পাওঁ, গছত যিমান ফুল আছে, ডালত যিমান পাত আছে , নৈত যিমান পানী আছে, শূইনত যিমান বতাহ আছে, নিশাৰ আকাশত যিমান তৰা আছে—তিমান।" সংলাপটো কাৰ?

(চ) মণিমুণ্ধৰ সেনাপতিজনৰ নাম কি ?

(ছ) 'ৰামবিজয়' নাটকত উল্লিখিত বিশ্বামিত্ৰ ঋষিৰ শিষ্যজনৰ নাম কি ?

(জ) 'এটা চোলাৰ কাহিনী' নাটকখন পূৰ্ণাংগ নাটক নে একাংকিকা নাটক ?

২। (ক) 'অসমীয়া সামাজিক নাটকৰ বিকাশ' শীৰ্ষক এটি টোকা যুগুত কৰাঁ। ১২

*অথবা*

(খ) অসমীয়া আধুনিক নাটকত পাশ্চাত্যৰ প্ৰভাৱ সম্পৰ্কে এটি আলোচনা আগবঢ়োৱাঁ।

৩। (ক) 'ৰামবিজয়' নাটৰ কাহিনীটো ক'ৰ পৰা গ্ৰহণ কৰিছে? নাটখনত শংকৰদেৱৰ মৌলিকতা কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰাঁ। ২+১২=১৪

*অথবা*

(খ) " 'ৰামবিজয়' নাটৰ ওপৰত নাট্যকাৰৰ পূৰ্বৱৰ্তী নাট 'ৰুক্মিণী হৰণ'ৰ প্ৰভাৱ পৰা বুলি কোৱা হয়।" কথাষাৰৰ সত্যাসত্য বিচাৰ কৰাঁ। ১৪

৪ । (ক) “ ‘গাঁওবুঢ়া’ নাটকত সমকালীন সমাজখনৰ এটি বাস্তৱ ছবি দাঙি ধৰা হৈছে।” কথাষাৰৰ আঁত ধৰি এটি আলোচনা আগবঢ়োৱাঁ । ১৪

*অথবা*

(খ) ‘গাঁওবুঢ়া’ নাটকৰ কাহিনীবস্তুৰ এটি আভাস দাঙি ধৰাঁ ।

৫ । (ক) “ইয়াত আদৰ্শ চৰিত্ৰ দাঙি ধৰাতকৈ চৰিত্ৰৰ বিচিত্ৰতাহে দেখুৱাবলৈ প্ৰয়াস কৰা হৈছে।” নাট্যকাৰৰ এই বক্তব্যৰ আধাৰত ইতিভেন আৰু ৰূপালীম চৰিত্ৰ দুটিৰ বিশ্লেষণ আগবঢ়োৱাঁ । ১৪

*অথবা*

(খ) ‘ৰূপালীম’ নাটকৰ কাহিনী নিৰ্মাণত নাট্যকাৰৰ শিল্প-কৌশল সম্পৰ্কে আলোচনা কৰাঁ ।

৬ । (ক) ‘এটা চোলাৰ কাহিনী’ নাটকত সমাজৰ দৰিদ্ৰ, নিপীড়িত, শোষিত শ্ৰেণীৰ হৃদয় যন্ত্ৰণাৰ কেনেদৰে প্ৰতিফলন ঘটিছে, আলোচনা কৰাঁ । ১২

*অথবা*

(খ) ‘এটা চোলাৰ কাহিনী’ নাটকৰ চৰিত্ৰ-চিত্ৰণ সম্পৰ্কে এটি বিশ্লেষণাত্মক টোকা লিখাঁ ।

৭ । চমু টোকা লিখাঁ (যি কোনো এটাৰ) : ৬

(ক) ঝুমুৰা

(খ) একাংকিকা নাটক

(গ) প্ৰহসন

★★★